# 2022

## ASSAMESE

Paper : ASM–HC–6026

( অসমীয়া লিপিৰ ইতিহাস )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) কেনে ধৰণৰ লিপিক লেখন-কলাৰ প্ৰথম স্তৰ বুলি কোৱা হয় ?

(খ) কি ধৰণৰ লিপিক লিপিৰ পূৰ্ণ-বিকশিত ৰূপ বুলি কোৱা হয় ?

(গ) উমাচল লিপিৰ সময় কি ?

(ঘ) কায়থেলী লিপি কোনে ব্যৱহাৰ কৰিছিল ?

(ঙ) *The Evolution of Assamese Script* নামৰ গ্ৰন্থৰ লেখক কোন ?

(চ) 'প্ৰাচ্য শাসনাৱলী' নামৰ গ্ৰন্থৰ প্ৰণেতাগৰাকীৰ নাম লিখা।

(ছ) কুটিল লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ ঘটা বুলি কোৱা এজন পণ্ডিতৰ নাম লিখা।

(জ) বৰ্তমানলৈকে উদ্ধাৰ হোৱা প্ৰাচীনতম অসমীয়া লিপিখনৰ নাম লিখা।

(ঝ) প্ৰথম অসমীয়া ছপা কিতাপখন ক'ৰ পৰা প্ৰকাশ হৈছিল?

(ঞ) সম্পূৰ্ণ অসমীয়া আখৰত লিখিত বৰ্তমানলৈ উদ্ধাৰ হোৱা প্ৰাচীনতম লিপিখনৰ নাম কি?

(ট) ড° বিৰিঞ্চিকুমাৰ বৰুৱাই ডবকাৰ ওচৰৰ এখন ঠাইৰ পৰা উদ্ধাৰ কৰা লিপিখনক কি নামেৰে জনা যায়?

(ঠ) তুলাপাত কিহৰ পৰা প্ৰস্তুত কৰা হয়?

(ড) সাঁচিপাত গছৰ কোনটো অংশৰ পৰা প্ৰস্তুত কৰা হয়?

(ঢ) আহোম ৰজাসকলে পুথি লিখিবলৈ সৃষ্টি কৰা খেলটোৰ নাম কি?

(ণ) কোনজন পণ্ডিতে প্ৰাক্-গুপ্ত যুগত অসমত প্ৰবেশ কৰা ব্ৰাহ্মী লিপিৰ পৰা অসমীয়া লিপিৰ বিকাশ হোৱা বুলি প্ৰথমে মত দিছিল?

২। চমু উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) ভাস্কৰবৰ্মাৰ ডুবি আৰু নিধনপুৰৰ শাসন দুখন ক'ৰ ক'ৰ পৰা পোৱা গৈছিল?





(খ) 'ব' আৰু 'ৱ' আখৰৰ স্পষ্ট পাৰ্থক্য থকা পুৰণি অসমীয়া লিপিখনক কি নামেৰে জনা যায়? এই লিপিৰ কথাখিনি কি ভাষাত লিখা?

(গ) হৰ্জৰবৰ্মাৰ হায়ুংথল তাম্ৰশাসন ক'ৰ পৰা আৱিষ্কাৰ হৈছিল? এই তাম্ৰশাসনৰ পাঠ কোনে উদ্ধাৰ কৰিছিল?

(ঘ) অসমৰ বুৰঞ্জী পুথিবোৰত সাধাৰণতে পোৱা লিপি কি শৈলীৰ আছিল? এই শৈলীটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) 'জাউ বা ঝাও দিয়া' মানে কি?

(চ) 'কুট দিয়া'ৰ অৰ্থ লিখা।

(ছ) সিন্ধু লিপিৰ পৰৱৰ্তী ভাৰতৰ দুবিধ প্ৰাচীন লিপিৰ নাম লিখা।

(জ) ধ্বনিমূলক লিপিক কি দুটা ভাগত ভগোৱা হয়?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) খৰোষ্ঠী লিপিৰ চমু পৰিচয় দিয়া।

(খ) কুটিল লিপিৰ বিষয়ে এটা টোকা লিখা।

(গ) বামুণীয়া বা কায়থেলী লিপিৰ বিষয়ে চমুকৈ লিখা।

(ঘ) কানাই বৰশীবোৱা শিলালিপিৰ চমু পৰিচয় দিয়া।

(ঙ) উমাচল শিলালিপিৰ পৰিচয় দিয়া।

(চ) টোকা লিখা :

বনমালবৰ্মাৰ তেজপুৰ আৰু পৰ্বতীয়া তাম্ৰশাসন

(ছ) পূৰ্ব ভাৰতীয় লিপিমালাৰ বিষয়ে লিখা।

(জ) সিন্ধু লিপিৰ লগত ব্ৰাহ্মী লিপিৰ সম্পৰ্ক বিচাৰ কৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশৰ গতিপথ সম্পৰ্কে লিখা।

(খ) ব্ৰাহ্মী লিপিৰ বিৱৰ্তনৰ ধাৰাসমূহ আলোচনা কৰা।

(গ) অসমীয়া লিপিৰ বিকাশৰ তিনিওটা স্তৰৰ চমু পৰিচয় দাঙি ধৰা।

(ঘ) প্ৰাচীন কামৰূপী লিপিৰ বিষয়ে আলোচনা কৰা।

(ঙ) পুৰণি অসমীয়া লিপিৰ তিনি শৈলীৰ মাজৰ সাদৃশ্য আৰু পাৰ্থক্যসমূহ দেখুৱাই আলোচনা কৰা।

(চ) আধুনিক অসমীয়া লিপিৰ বিষয়ে লিখা।

(ছ) সাঁচিপাত আৰু তুলাপাত প্ৰস্তুতকৰণৰ বিষয়ে লিখা।

(জ) মহী বা চিঞাহী প্ৰস্তুতকৰণ প্ৰণালীৰ বিৱৰণ দাঙি ধৰা।

(ঝ) কাপ, মহীচুঙা, কুটনী আৰু বিন্ধনীৰ পৰিচয় দিয়া।

(ঞ) অসমীয়া লিপিৰ বিকাশত নগাজৰী খনিকৰ গাঁও শিলালিপিৰ গুৰুত্ব বিচাৰ কৰা।

★★★